লৌহিত্য সাহিত্য সেতু : সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত অৰ্ধবাৰ্ষিক দ্বিভাষিক ই-আলোচনী
বৰ্ষ : ১, সংখ্যা : ১, জুলাই-ডিচেম্বৰ, ২০২০

# উষা প্ৰিয়ম্বদাৰ ‘ৱাপচী’ আৰু হোমেন বৰগোহাঞিৰ ‘হাতী’ গল্পত প্ৰতিফলিত মানৱীয় মূল্যবোধৰ অৱক্ষয়ৰ চিত্ৰঃ এটি অধ্যয়ন

মীৰ আব্দুৰ ৰহিম

## প্ৰস্তাৱনা

উষা প্ৰিয়ম্বদা আধুনিক হিন্দী সাহিত্যৰ এগৰাকী সংবেদনশীল লেখিকা । হিন্দী সাহিত্যত বিশেষকৈ নাৰী সংবেদনাৰ লগত জড়িত সাহিত্যিক হিচাপে তেখেতৰ বিশেষ সুনাম আছে । ভাৰতীয় সমাজৰ এই দিশটোৰ প্ৰতি তেখেতে অতি সচেষ্ট আছিল য'ত সমাজ সম্পূৰ্ণভাৱে আধুনিক হবলৈ ধৰিছে যদিও মানুহৰ মনৰ নিভৃতিত পৰম্পৰাগত মূল্যবোধ আৰু সংস্কৃতি জীয়াই ৰখাৰ হেঁপাহ শেষ হোৱা নাই । গতিকে আধুনিকতা আৰু পৰম্পৰাৰ এক সংঘাত তেওঁৰ ৰচনাত স্পষ্ট । তেখেতে এই অপ্ৰিয় সত্যবোৰ সাহসিকতাৰে উপস্থাপন কৰি পাঠক-সমালোচকৰ দৃষ্টি আৰ্কষণ কৰিছে । তেওঁ সামাজিক প্ৰমূল্যবোধৰ অৱক্ষয়ৰ চিত্ৰ ‘ৱাপচী’ গল্পত ইমান সুক্ষ্ম আৰু একনিষ্ঠভাৱে উত্থাপন কৰিছে যে তাৰ বৰ্ণনাই পাঠকক সন্মোহিত কৰিছে। সেয়েহে ‘ৱাপচী’ গল্পৰ গজাধৰ বাবুৰ একাকীত্বই সমাজক ভবাই তুলিছে । এয়াতো অকল গজাধৰ বাবুৰ সমস্যা নহয়; ই এক সমসাময়িক সামাজিক সমস্যা, যাৰ প্ৰভাৱ প্ৰায় প্ৰতিটো পৰিয়ালত পৰিলক্ষিত হয় । এনেবোৰ সমস্যা অতি প্ৰাঞ্জলভাৱে আমাৰ আলোচ্য ‘ৱাপচী’ গল্পটোত প্ৰতিফলিত হোৱা দেখা যায় ।

আধুনিক অসমীয়া গল্প সাহিত্যত হোমেন বৰগোহাঞিৰ বিশেষ সুনাম আছে । ‘হাতী’ তেখেতৰ এটি সাৰ্থক চুটিগল্প । এই গল্পটো উষা প্ৰিয়ম্বদাৰ ‘ৱাপচী’ গল্পৰ সমধৰ্মী । ‘হাতী’ গল্পটোৰ প্ৰস্তাৱনাতে বৰগোহাঞিদেৱে হাতীটোৰ লগত বাপধনৰ গভীৰ আন্তৰিকতাৰ মাজেৰে আৱেগিক সম্পৰ্কৰ এখন অতি মননশীল চিত্ৰ অংকন কৰিছে । আকৌ পৰৱৰ্তী স্তৰত ঐতিহ্যৰ প্ৰতীক হাতীটোৰ প্ৰতি হোৱা চৰম অৱহেলাৰ মাজেৰে সামাজিক প্ৰমূল্যবোধৰ অৱক্ষয়ৰ চিত্ৰ অতি নিৰ্মমভাৱে প্ৰতিফলিত হৈছে।

গৱেষণা পত্ৰখনত উষা প্ৰিয়ম্বদাৰ ‘ৱাপচী’ আৰু হোমেন বৰগোহাঞিৰ ‘হাতী’ গল্পত প্ৰতিফলিত মানৱীয় মূল্যবোধৰ অৱক্ষয়ৰ বিষয়ে আলোচনা কৰি ইয়াৰ সামাজিক, শৈক্ষিক গুৰুত্ব আৰু পৰম্পৰে পৰম্পৰৰ বাবে কিদৰে প্ৰয়োজন তাৰেই বিচাৰ কৰাৰ প্ৰয়াস কৰা হৈছে।

## বিষয়বস্তুৰ বিশ্লেষণ

‘ৱাপচী’ উষা প্ৰিয়ম্বদাৰ এটি বহুল চৰ্চিত চুটিগল্প । ভাৰতীয় সমাজত আধুনিকতাৰ গইনা লৈ পাৰিবাৰিক জীৱনত মানৱীয় মূল্যবোধৰ যি অৱক্ষয় ঘটিছে, সেয়া গল্পটিত অতি সাৰ্থক ৰূপত চিত্ৰিত কৰা হৈছে । আধুনিক জীৱনৰ নিঃসঙ্গতাবোধৰ

ফলত ব্যক্তিৰ মাজৰ পাৰস্পৰিক আত্মিক সম্পৰ্ক ক্ৰমান্বয়ে শিথিল হৈ পৰিছে। এনে নিঃসঙ্গতাবোধে ব্যক্তি জীৱনৰ লগে লগে পাৰিবাৰিক আৰু সামাজিক জীৱনতো গভীৰ প্ৰভাৱ পেলাইছে । যাৰফলত মানৱীয় মূল্যবোধ তথা সুকুমাৰ অনুভূতিৰাজিৰো অপমৃত্যু ঘটিব ধৰিছে । ‘ৰাপচী’ত দেখা যায় যে গজাধৰ বাবুৱে পৰিয়াল-পৰিজনৰ সুখ-শান্তিৰ বাবে দীৰ্ঘদিন অকলশৰীয়াভাৱে চাকৰি কৰিছে । কিন্তু বহুত আশা বুকুত লৈ চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰি ঘৰলৈ উভতি আহি নিজৰ মৰমৰ পত্নী আৰু পুত্ৰ-কন্যাৰ পৰা যথাযোগ্য মৰম -স্নেহ, আদৰ-আপ্যায়ন পোৱা নাই । গল্পকাৰে ইয়াতে হয়তো আধুনিক জীৱন-ধাৰাই কঢ়িয়াই অনা নিঃসঙ্গতাবোধ, জৈৱিক চাহিদা পূৰণাৰ্থে যান্ত্ৰিক জীৱন-যাপনৰ প্ৰৱণতা, আত্মিক সম্পৰ্কৰ অৱক্ষয় আদি দিশসমূহ ফুটাই তুলিছে।

গজাধৰ বাবুৱে গোটেই জীৱন পৰিয়ালৰ সান্নিধ্যৰ পৰা আঁতৰি থাকি ঘৰ-সংসাৰৰ সুখ-সমৃদ্ধি আৰু পুত্ৰ-কন্যাৰ পঢ়া-শুনা তথা ভৱিষ্যতৰ কথা চিন্তা কৰিয়েই কটালে; অথচ, পৰিয়ালৰ সেই আপোনবোৰেই তেওঁক অৱসৰৰ পাছত পৰিয়ালৰ বোজাস্বৰূপ গণ্য কৰি অমানৱীয় আচৰণ প্ৰদৰ্শন কৰিলে । ইয়াৰ মূলতেই গজাধৰ বাবুৰ চিন্তা-চেতনাৰ লগত পত্নী, পুত্ৰ, কন্যা, বোৱাৰীৰ চিন্তা জগতৰ পাৰ্থক্য। ইয়াতেই গল্পটোত প্ৰজন্মৰ ব্যৱধান [Generation Gape] ৰ চিত্ৰ প্ৰকাশ পাইছে। বৃদ্ধ, অৱসৰী গজাধৰ বাবুৰ চিন্তা-প্ৰৱাহৰ সৈতে তেওঁৰ যৌৱন-উদ্দীপ্ত পুত্ৰ-কন্যাৰ চিন্তাৰ সামঞ্জস্য হোৱা নাই । আধুনিকতাৰ প্ৰভাৱৰ ফলত অমৰ, নৰেন্দ্ৰ আৰু বাসন্তীহঁতে ঘৰখনত দেউতাকৰ উপস্থিতি সহ্য কৰিব পৰা নাই । আনকি যি গৰাকী পত্নীক সন্তুষ্ট কৰিবলৈ গজাধৰ বাবুৱে নিজৰ জীৱন-যৌৱন উৎসৰ্গা কৰিলে, সেই গৰাকী পত্নীয়েও সন্তানৰ প্ৰতি থকা দায়িত্বৰ দোহাই দি স্বামীৰ পক্ষ গ্ৰহণ নকৰি স্বামীক চৰম মানসিক আঘাত দিলে। ইয়াতকৈ আৰু অমানৱীয় আচৰণ কি হ’ব পাৰে । তথাকথিত আধুনিকতাৰ প্ৰভাৱেই এইদৰে ভাৰতীয় সমাজৰ চিৰন্তন মানৱীয় মূল্যবোধৰ অৱক্ষয়ৰ সংকেত দিছে আৰু তাৰেই বৰ্হিপ্ৰকাশ গল্পটোত ঘটিছে বুলি কব পাৰি ।

হোমেন বৰগোহাঞিৰ ‘হাতী’ গল্পটোত ‘ৰাপচী’ৰ অনুৰূপ কিছু বিষয়ে স্থান পাইছে । ‘ৰাপচী’ গল্পত গজাধৰ বাবু নিজেই চূড়ান্তভাৱে অৱহেলিত হৈছে । আনকি তেওঁৰ প্ৰতি হোৱা অৱহেলাৰ মাজেৰে প্ৰজন্মৰ ব্যৱধান আৰু আধুনিকতাই জন্ম দিয়া সংঘাত স্পষ্ট হৈ উঠিছে । আনহাতে ‘হাতী’ গল্পটোত বলোৰাম বুঢ়া নিজে অৱহেলিত হোৱা নাই; কিন্তু ঐতিহ্যৰ প্ৰতীক হাতীটোৰ প্ৰতি হোৱা অৱহেলাৰ মাজেৰে একেটা সত্যকে অতি নিৰ্মম ভাৱে অংকন কৰা হৈছে । ‘হাতী’ গল্পটোত হাতীটোৰ লগত বাপধনৰ অতি গভীৰ আৱেগিক আৰু আন্তৰিক সম্পৰ্ক স্থাপন হোৱা দেখুৱাইছে । সেই একেটা আৱেগ জড়িত বিষয় গণেশী আৰু তেওঁৰ ঘৈণীয়েকৰ লগত থকা গজাধৰ বাবুৰ সম্পৰ্কৰ বৰ্ণনাৰ মাজেৰে ‘ৰাপচী’ গল্পটোত স্পষ্ট হৈ উঠিছে । গণেশীৰ ঘৈণীয়েকে গজাধৰক ৰাস্তাত খাবলৈ দুটামান লাড়ু বনাই দিছে। গণেশীয়ে লাগি-ভাগি বস্তুবোৰ বান্ধি দিছে । আনকি কোৱাৰ্টাৰটোত থকা সময়ছোৱাত তাৰ গছ-লতাকে ধৰি সকলোবোৰ বস্তুৰ প্ৰতি হোৱা আকৰ্ষণৰ কথাও

গল্পকাৰে প্ৰাঞ্জল ৰূপত তুলি ধৰিছে। একে সময়তে তেওঁৰ সেই কল্পনাৰ ঘৰখনলৈ ঘূৰি যোৱাৰ অদম্য হেঁপাহৰ মাজেৰেও মানুহৰ আত্মিক সম্পৰ্ক তথা মানৱীয় আৱেগ-অনুভূতিৰ দিশটো প্ৰতিফলিত হৈছে। পৰৱৰ্তী স্তৰত বৰগোহাঞিৰ গল্পত ঐতিহ্যৰ প্ৰতিভূ স্বৰূপ হাতীটোৰ প্ৰতি বৰমইনাহতঁৰ তুচ্ছ-তাচ্ছিল্যই যিদৰে বলোৰামক অসহায় কৰি তুলিছে, ঠিক সেইদৰে গজাধৰ বাবুৰে নিজৰ ঘৰলৈ অহাৰ পিছত পত্নী-সন্তানে দেখুৱা অবাঞ্চিত ব্যৱহাৰে তেওঁকো অসহায় কৰি তুলিছে। বৰমইনাই যিদৰে বলোৰামক হাতীটোৰ লগত থকা সম্পৰ্কৰ বাবে সেয়া 'পাগলৰ কাম' বুলি কৈছে; একেদৰে গজাধৰৰ পত্নী-পুত্ৰৰ আচৰণৰ মাজেৰে তেনে ধৰণৰ অশুভ বাৰ্তাই প্ৰকাশ পাইছে। মুখেৰে নক'লেও আচৰণেৰে তাক ঘৰৰ আৱৰ্জনা হিচাপে গণ্য কৰিছে। আনকি গজাধৰে জীৱনৰ সমস্ত আৰ্জনেৰে বনোৱা নিজৰ ঘৰটোতেই থাকিবলৈ আৰামদায়ক কোঠা এটি পোৱা নাই। লাম-লাকটু থোৱা কোঠাটোত কোনোমতে থাকিবলৈ দিছে। গল্পটোৰ এনে বৰ্ণণাই অতি স্পষ্টভাৱে ঘৰটোত গজাধৰৰ উপস্থিতি নাকচ কৰিছে।

'হাতী' গল্পটোৰ হাতীটোৱেই আছিল মেধিৰ ঘৰৰ লক্ষ্মী। আনকি আজি বৰমইনাহঁতৰ যি সম্পদ আৰু সমৃদ্ধি তাৰো ভেটি বান্ধিছিল বাপেকেই। কিন্তু আজি আধুনিকতাৰ ফলত অহা এম্বেছেদৰ গাড়ীখনে হাতীটোক সম্পূৰ্ণৰূপে অৱহেলাৰ পাত্ৰ কৰি তুলিছে। যাৰ ফলত হাতীটোৰ লগত থকা সহৃদয়তাৰ সকলো সম্পৰ্ক নতুনসকলৰ বাবে তুচ্ছ-তাচ্ছিল্যৰ বিষয় হৈ পৰিছে। শেষত এনে অৱস্থা হ'লগৈ যে বলোৰামে আশা কৰিছিল অন্ততঃ কনমইনা বিয়াৰ দৰা হৈ ঘৰখনৰ গৌৰৱ হাতীটোৰ ওপৰতে উঠি যাব। কিন্তু বৰমইনাহঁতে বলোৰামৰ সকলো আশা-আকাংক্ষাত চেঁচা পানী ঢালি তেওঁৰ চকুৰ আগেদিয়েই এম্বেছেদৰ গাড়ীত উঠাই কনমইনাক লৈ গ'ল। পৰম উৎসাহেৰে সজাই পৰাই থোৱা হাতী, মাউত আৰু বলোৰামে অসহায়ভাৱে থিয় হৈ থাকিব লগা হ'ল। অৱশেষত সিহঁতে ঘৰলৈ ঘূৰি অহাৰ আগতে বলোৰামে হাতীটো ৰাতিয়াক দান কৰি দিলে। 'ৱাপচী' গল্পটোৰ ক্ষেত্ৰত গজাধৰ বাবুৰে নিজৰ ঘৰখনত একেবাৰে অপ্ৰাসঙ্গিক হৈ পৰাত ষ্টেচনটোৰ কাষতে থকা চেনিকলত এটা চাকৰি বিচাৰি লৈ বৃদ্ধ বয়সতো ঘৰখনৰ পৰা বিদায় লৈছে। দুয়োটা গল্পতেই পুৰণিয়ে বিদায় ল'বলৈ বাধ্য হৈছে। কিন্তু তথাকথিত আধুনিকতাৰ পূজাৰী নতুন প্ৰজন্মৰ মনত এই বিদায়ে কোনো ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পৰা নাই।

**উপসংহাৰ**

তথাকথিত আধুনিকতাই আমাৰ সমাজৰ পৰম্পৰাগত মূল্যবোধক কেনেদৰে আঘাত দিছে আৰু তাৰ ফলত সমাজত কি জটিলতাৰ সৃষ্টি হৈছে তাৰে একো একোটা সাৰ্থক চিত্ৰ প্ৰিয়ম্বদাৰ 'ৱাপচী' আৰু বৰগোহাঞিৰ 'হাতী' গল্প দুটাত চিত্ৰিত হৈছে। সমাজ-জীৱনৰ এক গভীৰ সংঘাত তথা মানৱীয় প্ৰমূল্যবোধৰ অৱক্ষয়ৰ চিত্ৰ ইয়াৰ মাজেৰে প্ৰকাশ পাইছে। আনকি গল্প দুটাত আধুনিক জীৱনৰ বিচিত্ৰতা, মানৱ চৰিত্ৰৰ যান্ত্ৰিকতা, স্বাৰ্থপৰতা আদি দিশ প্ৰতিফলিত হৈছে। দুয়োটা গল্পতে ঐতিহ্যই নতুনক বাট এৰি দিবলৈ বাধ্য হৈছে। এক তীব্ৰ সংঘাতৰ মাজেদি অনিচ্ছা সত্বেও এই পৰিৱৰ্তন

মানি ল'ব লগা হৈছে । পৰিৱৰ্তনৰ সেই কষ্ট 'বাপচী'ত মানৱ চৰিত্ৰ গজাধৰৰ মাজেৰে আৰু 'হাতী'ত ঐতিহ্যৰ প্ৰতীক হাতীটোৰ মাজেৰে ফুটাই তোলা হৈছে । কিন্তু দুয়োটা গল্পৰ বক্তব্য একেই । এই বক্তব্যই ভাৰতীয় পৰম্পৰাগত সমাজৰ পৰিৱৰ্তন বিচাৰিছে । মানুহৰ আত্মিক সম্পৰ্ক নস্যাৎ কৰিছে । তাৰ ঠাইত আধুনিক নগৰকেন্দ্ৰিক যান্ত্ৰিক জীৱনৰ জয়গান গাইছে, য'ত নাই কোনো আন্তৰিকতা, আধ্যাত্মিকতা আৰু মানৱতা । এনেকুৱা মানৱতাৰ অৱক্ষয় ঘটা বৃহত্তৰ ভাৰতীয় সমাজৰ চিত্ৰ আমাৰ আলোচ্য দুটা ভিন্ন প্ৰাদেশিক ভাষাত ৰচিত গল্পত সাৰ্থক ৰূপত প্ৰকাশ পাইছে ।

**গ্ৰন্থপঞ্জীঃ**

১. নাথ, প্ৰফুল্ল কুমাৰঃ তুলনামূলক ভাৰতীয় সাহিত্য বিচাৰ আৰু বিশ্লেষণ, বনলতা, গুৱাহাটী, ২০১৫

২. প্ৰিয়ম্বদা, উষাঃ মেৰী প্ৰিয় কহানিয়া, ৰাজকমল প্ৰকাশন, দিল্লী, ১৯৭৯

৩. বৰগোহাঞি, হোমেনঃ চাৰিটা দশকৰ ফচলঃ প্ৰবন্ধ আৰু গল্প সমগ্ৰ, ষ্টুডেণ্টচ্ ষ্ট'ৰচ, গুৱাহাটী, ২০০৭

৪. বৰা, দিলীপঃ তুলনাত্মক সাহিত্য, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ২০১৬

**যোগাযোগৰ ঠিকনা :**

গৱেষক, গুৱাহাটী বিশ্ববিদ্যালয়

গুৱাহাটী, অসম